**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ৩৩ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৫০৬ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত সাম্প্ৰতিক বানত কমেও ১৯ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে কাচাৰ জিলাত উপস্থিত হৈ ছটা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। তেওঁ লগতে বানপীড়িতসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ কয় যে বৰাক নদী যদিও বিপদসীমাৰ ওপৰেৰে বৈ আছে এতিয়ালৈকে কোনো ঠাইতে মথাউৰি চিগা নাই। পৰিস্থিতিৰ ওপৰত জিলা প্ৰশাসনে সতৰ্ক দৃষ্টি ৰাখিব বুলি তেওঁ মন্তব্য কৰে। ডঃ শৰ্মাই কয় যে চহৰ, নগৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ জলাশয়সমূহৰ সংৰক্ষণ কৰি নগৰীয়া বান বহু পৰিমাণে দূৰ কৰিব পৰা যায়। শিলচৰ আৰু ইয়াৰ আশে পাশে থকা মালিনী বিল, মহিশা বিল, ৰংগিৰ খাল বিল আৰু ছিংগাৰ খালে প্ৰাকৃতিক জলাশয় হিচাপে পানী সংৰক্ষণৰ দিশত অন্যতম ঠাই হিচাপে পৰিগণিত হৈ আহিছে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে বৰাক নৈৰ সমীপত থকা তাৰাপুৰ শিৰবাৰী পথটোৰ বানত ডুব যোৱা অংশ পৰিদৰ্শন কৰে আৰু এই অংশটো ততালিকে মেৰামতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অধিকাংশ প্লাবিত কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ঘাঁহনি এলেকাসমূহ পানীত বুৰ যোৱাত পহু, গঁড়, হাতীকে ধৰি অন্যান্য জীৱ-জন্তুৱে বানৰ পৰা ৰক্ষা পোৱাৰ লগতে খাদ্যৰ সন্ধানত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যোৱা ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমগ্ৰ অংশটোৰ চাৰিওকাষে পানী বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত কলিয়াবৰ সমজিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ আৰু সমজিলা আয়ুক্তই বন্যপ্ৰাণী সুৰক্ষা তথা জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এটা নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে চলাচল কৰা বাহনৰ গতিবেগ প্ৰতিঘণ্টাত ৪০ কিলোমিটাৰতকৈ অধিক হ'ব নোৱাৰিব। একেদৰে এনিমেল কৰিডৰত পাঁচজনতকৈ অধিক লোক সমবেত হোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজত গধূৰ বাহন ৰখোৱাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত আৰু নগাঁও জিলা সাহিত্য সভা, মৰিগাঁও আৰু হোজাই জিলা সাহিত্য সভাৰ সহযোগত নগাঁৱত পৰহিলৈৰ পৰা তিনিদিনীয়াকৈ লেখক শিবিৰৰ আয়োজন কৰা হৈছে। কবিতা, গল্প, উপন্যাস আৰু নাট্য সাহিত্যৰ মনোগ্ৰাহী অনুষ্ঠানত সমাহাৰ হ'বলগীয়া এই শিবিৰ নগাঁও জিলা পুথিভঁৰাল, কমলাদেৱী তোদী স্মৃতিভৱন আৰু নগাঁও সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হ'ব। পৰহিলৈ অসম সাহিত্য সভাৰ সভাপতি ডং বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধনী অনুষ্ঠান সঞ্চালনা কৰিব। অনুষ্ঠানত নাগালেণ্ডৰ কবি, সাংবাদিক মনালিছা ছাংকিজা উপস্থিত থাকিব। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া কবিতা অধিৱেশন দুখন ৰাজীৱ বৰা আৰু ডং মঞ্জু লস্কৰে উদ্বোধন কৰিব। বিয়লিৰ ভাগত ছুটী গল্প বিষয়ৰ প্ৰথমখন বৈঠক শিৱানন্দ কাকতিয়ে উদ্বোধন কৰিব। ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই দ্বিতীয়খন বৈঠক সঞ্চালনা কৰিব। একেদিনাই নগাঁও জিলা পুথিভঁৰালত উপন্যাস বিষয়ৰ বৈঠকো অনুষ্ঠিত হ'ব। আটাইকেইটা অনুষ্ঠানতে ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিক আৰু উদীয়মান লেখকে অংশগ্ৰহণ কৰিব।

০০০০০০

ডিব্ৰুগড় জিলাৰ পানীতোলা পশু চিকিৎসালয়ৰ পৰা দধীয়া চাপৰিলৈ পশু খাদ্য বিতৰণৰ বাবে যোৱা এটা দলৰ নাওখন ব্ৰহ্মপুত্ৰৰ মাজত আৱদ্ধ হৈ পৰিছে। নাওখনত থকা পশু চিকিৎসকৰ দলটোৱে সামাজিক মাধ্যমৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। আজি পুৱা দধীয়া চাপৰিত পশু খাদ্য বিতৰণ কৰি উভতি অহাৰ সময়ত প্ৰচণ্ড কুঁৱলীৰ বাবে নাওখনে এটা গছৰ মূঢ়াত খুন্দা মৰাত নাওখনত পানী সুমাবলৈ ধৰে। নাওখনৰ চালকে কথমপি এটা বালি চাপৰিলৈ নাওখন চপাই নি সকলোৰে জীৱন ৰক্ষা কৰে। পশু চিকিৎসকৰ দলটো ব্ৰহ্মপুত্ৰ মাজত আবদ্ধ হৈ থকাৰ বিষয়ে জিলা প্ৰশাসনক অৱগত কৰা হৈছে আৰু তেওঁলোকক উদ্ধাৰৰ বাবে ব্যৱস্থা লোৱা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ অসিৎপুৰ চাহ বাগিচাত কালি অসম চাহ জনজাতি ছাত্ৰ সন্থাই বাগিচাখনৰ অচলাৱস্থাৰ স্থায়ী সমাধানৰ দাবী জনাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ নেতা-কৰ্মীসকলৰ উপৰি ভালেসংখ্যক চাহ শ্ৰমিকে অংশগ্ৰহণ কৰে। সংগঠনটোৱে টেঙাখাত ৰাজহ চক্ৰ বিষয়াৰ যোগেদি মুখ্যমন্ত্ৰীলৈ বাগিচাখনৰ সমস্যা সমাধানৰ দাবী জনাই এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০০

সমাপ্ত